# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 02-09-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## HEADLINES

১। আৰক্ষীত নতুনকৈ ১৫ৰ পৰা ২০ হাজাৰ যুৱক-যুৱতীক নিযুক্তি দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। ৰাজ্যত মাদক দ্ৰব্যৰ বিৰুদ্ধে অভিযান কঠোৰ হ'ব বুলি মুখ্যমন্ত্ৰীৰ সকীয়নী।

৩। যুৱ প্ৰজন্মক কৃষিকাৰ্যৰে স্বাৱলম্বী হ'বলৈ কৃষিমন্ত্ৰী পীযুষ হাজৰিকাৰ আহ্বান। চৰকাৰৰ সকলো ধৰণৰ সহায়-সহযোগিতাৰ আশ্বাস।

৪। অৰুণোদয় আঁচনিৰ ধন প্ৰদান ব্যৱস্থা অধিক সহজ লভ্য কৰি তুলিবলৈ অৰুণোদয় সাৰথিসকলৰ বিশেষ প্ৰশিক্ষণ শিবিৰত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ অংশগ্ৰহণ।

*আৰু*

৫। আফগানিস্তানৰ বিৰুদ্ধে তিনিখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় শৃংখলাৰ বাবে ভাৰতীয় পুৰুষ দল ঘোষণা।

০০০০০

অসম আৰক্ষীত অনাগত সময়ত ১৫ ৰ পৰা ২০ হাজাৰ নতুন যুৱক-যুৱতীক নিযুক্তি দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। গোলাঘাট জিলাৰ দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত জ্যেষ্ঠ আৰক্ষী অধীক্ষক সন্মিলনৰ আজি প্ৰথম দিনা দীক্ষান্ত সমাৰোহত অংশ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা সদৰি কৰে। তেওঁ কয়, যে বিগত ৫ বছৰত অসম আৰক্ষীত ২১ হাজাৰ নিযুক্তি প্ৰদান কৰা হৈছিল আৰু পৰৱৰ্তী ৫ বছৰতো এই ধাৰাবাহিকতা অক্ষুন্ন থাকিব।

ড° শৰ্মাই অনুষ্ঠানত দিয়া ভাষণত, প্ৰমাণপত্ৰ লাভ কৰিবলগীয়া অসম আৰক্ষীৰ ৩২ গৰাকী উপ-আৰক্ষী অধীক্ষক আৰু ৩৭১ গৰাকী কনিষ্টবলৰ বাবে আজিৰ দিনটো প্ৰাপ্তি আৰু গৌৰৱৰ দিন বুলি উল্লেখ কৰে। তেওঁ কয়, যে আধুনিক নিৰাপত্তা সঁজুলি আৰু চাইবাৰ নিৰাপত্তা সন্দৰ্ভত এই আৰক্ষীসকলে প্ৰশিক্ষণ লাভ কৰিছে। এই অভিজ্ঞতাই তেওঁলোকক প্ৰযুক্তিগতভাৱে সু-সজ্জিত কৰি তুলিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধৰ ক্ষেত্ৰত সকলো শূন্য সহনশীল হ'ব লাগিব। তেওঁ বহুবিবাহ, বাল্য বিবাহৰ বিৰুদ্ধে নিৰন্তৰে যুঁজ দিবলৈ অসম আৰক্ষীক আহ্বান জনায়।

মুখ্যমন্ত্ৰীগৰাকীয়ে ভাষণত মাদক দ্ৰব্যৰ বিৰুদ্ধে যুঁজ অধিক শক্তিশালী কৰাৰ কথা ঘোষণা কৰে। অসমৰ ভৌগোলিক অৱস্থিতি ম্যানমাৰ-বাংলাদেশৰ সীমান্তত হোৱাৰ বাবে মাদক দ্ৰব্য সৰবৰাহৰ ক্ষেত্ৰত অসম সংবেদনশীল এলেকা হৈ পৰিছে বুলি তেওঁ কয়। অৰুণাচলৰ চাংলাঙেৰে তিনিচুকীয়া হৈ মাদক দ্ৰব্য সৰবৰাহৰ নতুন পথ গঢ় লৈ উঠা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে তিনিচুকীয়া, ডিব্ৰুগড়, বৰাক, গোলাঘাট, শিৱসাগৰত আৰক্ষীক অধিক কঠোৰ হোৱাৰ নিৰ্দেশ দিয়ে। তেওঁ লগতে কাৰ্বি আংলং, ডিমা হাচাও আৰু নগাঁৱত মাদক দ্ৰব্যৰ প্ৰৱেশ ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। মাদক দ্ৰব্যৰ বিৰুদ্ধে যুঁজখন অধিক দৃঢ় আৰু তীব্ৰতৰ কৰি নৱপ্ৰজন্মৰ সুস্থ ভৱিষ্যৎ গঢ়ি তোলাটো অতি গুৰুত্বপূৰ্ণ বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

*বাইট ঃ মুখ্যমন্ত্ৰী*

অনুষ্ঠানত দিয়া ভাষণত আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙে স্মাৰ্ট আৰক্ষী আৰু আদৰ্শ আৰক্ষী প্ৰশাসন ব্যৱস্থা গঢ়ি তোলাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ শক্তিশালী ভূমিকাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে, প্ৰশিক্ষণ সমাপ্ত কৰা এই আৰক্ষী কৰ্মীসকলে নতুন প্ৰযুক্তিৰে অপৰাধৰ বিৰুদ্ধে যুঁজ দিয়াৰ সুযোগ লাভ কৰিব।

০০০০০

কৃষি আৰু জলসিঞ্চন আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই আজি তামুলপুৰ জিলাৰ চেঁচাপানীত দৈমালু বসুমতাৰী নামৰ এগৰাকী উদ্যমী কৃষকৰ ড্ৰেগন ফলৰ খেতি পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে ৫ বিঘা ভূমিত ড্ৰেগন ফলৰ খেতিৰে বছৰি প্ৰায় ৬ লাখ টকা উপাৰ্জন কৰাৰ সমান্তৰালকৈ ৬ বিঘা মাটিত তামোলৰ বাগান আৰু তিল খেতিৰে স্বাৱলম্বী হৈ উঠা দৈমালু বসুমতাৰীৰ প্ৰয়াসৰ প্ৰশংসা কৰে। ইতিমধ্যে সামাজিক মাধ্যমৰ জৰিয়তে যুৱ প্ৰজন্মক এই কৃষকগৰাকীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ ব্যতিক্ৰমী কৃষিকৰ্মৰে আগবাঢ়ি যাবলৈ তেওঁ আহ্বান জনাইছে বুলি জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে অনাগত দিনত কৃষিকাৰ্যৰ জৰিয়তে স্বাৱলম্বী হোৱাৰ বাবে তেওঁলোকক চৰকাৰে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াব বুলি আশ্বাস দিয়ে।

***বাইট (পীযুষ)***

মন্ত্ৰী শ্ৰীহাজৰিকাই এই ভ্ৰমণৰ সময়তে বি. টি. চিৰ সদ্যপ্ৰয়াত উপাধ্যক্ষ বিজিত গৌৰা নাৰ্জাৰীৰ বাসগৃহত উপস্থিত হৈ নেতাগৰাকীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে।

০০০০০

গুৱাহাটী মহানগৰৰ খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আজি অৰুণোদয় সাৰথি কৰ্মশালা তথা প্ৰশিক্ষণৰ বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানত বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে। অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে এই কৰ্মশালাৰ অৰুণোদয় সাৰথিসকলৰ লগতে সংশ্লিষ্ট বিভাগৰ বিষয়াবৰ্গৰ সৈতে মত বিনিময় কৰে। অৰুণোদয় আঁচনি অসমৰ তৃণমূল পৰ্যায়ত মহিলাসবলীকৰণৰ এক শক্তিশালী মাধ্যম বুলি বিত্তমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এই আঁচনিৰ ধন প্ৰদান ব্যৱস্থা আৰু অধিক সহজ লভ্য কৰি তুলিবলৈ এই অৰুণোদয় সাৰথি কৰ্মশালা আৰু প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি আঁচনিৰ সুবিধা তৃণমূল পৰ্যায়লৈ সঠিকভাৱে যোগান ধৰাতো সুনিশ্চিত কৰিবলৈ তেওঁ বিভাগীয় বিষয়াক নিৰ্দেশ দিয়ে।

***বাইট ঃ জয়ন্ত মল্লবৰুৱা***

দিছপুৰৰ জনতা ভৱনত আজি বিয়লি বিত্তমন্ত্ৰীগৰাকীয়ে অৰুণোদয় আঁচনি সম্পৰ্কীয় এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। এই সভাত ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বিত্ত বিভাগৰ জ্যেষ্ঠ বিষয়াৰ লগতে জিলাসমূহৰ আয়ুক্তসকলে অংশগ্ৰহণ কৰে।

০০০০০

ভাৰতৰত্ন সন্মানেৰে সন্মানিত ড° ভূপেন হাজৰিকাৰ বছৰজোৱা জন্ম শতবাৰ্ষিকী উদযাপনৰ সামৰণি অনুষ্ঠান অহা ৮ ছেপ্তেম্বৰত নতুন দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত গায়ক, গীতিকাৰ, সুৰকাৰ, সংগীত পৰিচালক তথা অসমীয়া সংস্কৃতিৰ মহীৰূহ ড° ভূপেন হাজৰিকাৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁৰ অমৰ সৃষ্টি, মানৱতাবাদ আৰু সাংস্কৃতিক ঐক্যৰ বাৰ্তা দেশজুৰি প্ৰচাৰ কৰা হ'ব। বিগত বৰ্ষৰ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীত শুভাৰম্ভ কৰা এই বছৰজোৱা অনুষ্ঠানৰ অংশ হিচাপে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভিন ভিন কাৰ্যসূচী অনুষ্ঠিত কৰি অহা হৈছে। সুধাকণ্ঠৰ জন্মশতবৰ্ষৰ সৈতে সংগতি ৰাখি এয়া আমাৰ বিশেষ প্ৰতিবেদন-

***ভইছ কাষ্ট***

০০০০০

অসম ৰাজ্যিক নিৰ্বাচন আয়োগে আজি শিলচৰ পৌৰ নিগমৰ নিৰ্বাচনৰ দিন ঘোষণা কৰে। অহা ৩ অক্টোবৰত শিলচৰ পৌৰ নিগমৰ ৪২টা ৱাৰ্ডৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰয়োজন হ'লে ৫ অক্টোবৰত পুনৰ ভোটদান অনুষ্ঠিত হ'ব বুলি নিৰ্বাচন আয়োগে সদৰী কৰে। শিলচৰ পৌৰ সভাক পৌৰ নিগমলৈ উন্নীত কৰাৰ পাছত এইটোৱেই প্ৰথম নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে ২০১৫ চনত শিলচৰ পৌৰ সভাৰ নিৰ্বাচন অনুষ্ঠিত হৈছিল। ১১ ছেপ্তেম্বৰত মনোনয়ন পত্ৰ দাখিলৰ কৰাৰ অন্তিম দিন হিচাপে নিৰ্বাচন আয়োগে প্ৰকাশ কৰে। ১৪ ছেপ্তেম্বৰ মনোনয়ন পত্ৰ পৰীক্ষা আৰু সেইদিনাই প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। নিৰ্বাচনী আয়োগে ১৭ ছেপ্তেম্বৰত প্ৰাৰ্থীসকলে মনোনয়ন প্ৰত্যাহ্বাৰ কৰা অন্তিম দিন ধাৰ্য কৰিছে। ৬ অক্টোবৰত ভোটগণনা আৰু ফলাফল প্ৰকাশ পাব। শিলচৰ পৌৰ নিগমৰ নিৰ্বাচনক কেন্দ্ৰ কৰি ইতিমধ্যে ৰাজনৈতিক মহলত চৰ্চা আৰু তৎপৰতা আৰম্ভ হৈছে।

০০০০০

ৰহা অঞ্চলৰ ৰাইজৰ দাবীৰ প্ৰতি সঁহাৰি জনাই ৰহা টোলগেটত অঞ্চলটোৰ স্থানীয় বাসিন্দাসকলৰ টোল কৰ ৰেহাই দিয়াৰ ব্যৱস্থা কৰা হৈছে। নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আজি এক ৰাজহুৱা জাননী যোগে এই কথা ঘোষণা কৰে। আয়ুক্তগৰাকীয়ে উল্লেখ কৰে যে, সোণাপুৰ টোলগেটৰ আৰ্হিত ৰহাৱাসীকো টোল কৰৰ পৰা সকাহ দিয়াৰ বাবে টোলগেট কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰা হৈছে। সেই অনুসৰি ৰহাৰ ৰণথলীত থকা টেলগেটৰ ৭ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত থকা বাসিন্দাসকলৰ ব্যক্তিগত বাহনৰ টোলকৰ ৰেহাই দিয়া হ'ব। এই সুবিধা লাভ কৰিবৰ বাবে এই অঞ্চলৰ বাসিন্দাসকলে এখন বিশেষ অনুজ্ঞা পত্ৰৰ বাবে আবেদন কৰিব পাৰিব। স্থানীয় লোকক অনুজ্ঞা-পত্ৰ প্ৰদানৰ বাবে টোলগেট কৰ্তৃপক্ষক নিৰ্দেশ দিয়া হৈছে। উল্লেখযোগ্য যে, দুদিনপূৰ্বে ৰহা অঞ্চলৰ একাংশ লোকে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ সময়তে জিলা আয়ুক্তই উপস্থিত হৈ প্ৰতিবাদী ৰাইজক এই সন্দৰ্ভত আশ্বাস দিছিল।

০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত অব্যাহত থকা আই ই চি অভিযানৰ অংশ হিচাপে বজালী জিলাতো আজি এইছ আই ভি এইডছ আৰু যৌন সংক্ৰমিত ৰোগৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বজালী জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত বাঘমাৰাৰ নৰ্থ কামৰূপ মহাবিদ্যালয়ত আয়োজিত অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত তাহিৰ আলম মুখ্য অতিথি হিচাপে উপস্থিত থাকে। কাৰ্যসূচীৰ অংশ হিচাপে এইছ আই ভি সংক্ৰমণৰ কাৰণ, প্ৰতিৰোধৰ উপায়, সময় মতে পৰীক্ষা-নিৰীক্ষাত গুৰুত্ব আৰু চিকিৎসাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰা হয়।

০০০০০

ডিব্ৰুগড় জিলা অতিৰিক্ত সত্ৰ ন্যায়াধীশৰ আদালতে হত্যাৰ পৃথক পৃথক অভিযোগত অভিযুক্ত ৫ জন অপৰাধীক আজীৱন কাৰাদণ্ডৰে দণ্ডিত কৰাৰ লগতে এজনক ৪ বছৰৰ সশ্ৰম কাৰাদণ্ড ৰায় দিছে। ৰায়দান কৰা গোচৰসমূহৰ ভিতৰত ডিব্ৰুগড় থানা চৌহদত সংঘটিত এটা নৃশংস হত্যাকাণ্ডৰ গোচৰক বিশেষ গুৰুত্ব সহকাৰে লোৱা হয়।

০০০০০

আফগানিস্তানৰ বিৰুদ্ধে খেলিবলগীয়া তিনিখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় শৃংখলাৰ বাবে ১৫ জনীয়া ভাৰতীয় পুৰুষ দলটো ঘোষণা কৰা হৈছে। শ্ৰেয়াছ আয়াৰে নেতৃত্ব দিবলগীয়া দলটোত তিলক বাৰ্মা উপ-অধিনায়ক হিচাপে থাকিব। দলটোৰ আনকেইগৰাকীমান খেলুৱৈ হৈছে যশপ্ৰীত বুমৰা, ৱাশ্বিংটন সুন্দৰ আৰু হৰ্ষিত ৰাণা। অহা ১৩, ১৫ আৰু ১৭ ছেপ্তেম্বৰত নতুন দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত এই শৃংখলা অনুষ্ঠিত হ'ব।

০০০০০

**সমাপ্ত**